জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩৮৬/২০২৩

# ‘আধুনিক অসমৰ ৰাজনৈতিক ইতিহাস’ শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে

## সত্যৰ অন্বেষণেই হৈছে ইতিহাস গৱেষণাৰ লক্ষ্য ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাগৃহত আয়োজিত এক অনুষ্ঠানত অধ্যাপক ড° ননীগোপাল মহন্তই ৰচনা কৰা ‘আধুনিক অসমৰ ৰাজনৈতিক ইতিহাস (মুছলিম লীগৰ পৰা নাগৰিকত্ব আইনলৈকে)’ শীৰ্ষক গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে।

এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় এই গ্ৰন্থখন এক দস্তাবেজ যি পঢ়ুৱৈসকলক অসমৰ জাতীয় জীৱনত দীৰ্ঘকাল ধৰি ৰেখাপাত কৰি অহা ঘটনা প্ৰৱাহৰ সৈতে সুপৰিচিত হ'বলৈ সুযোগ দিব। গ্ৰন্থখনে পঢ়ুৱৈসকলক বিগত তিনি দশকৰ অসমৰ জ্বলন্ত সমস্যাসমূহ গভীৰভাৱে হৃদয়ঙ্গম কৰোৱাৰ লগতে অসমৰ ইতিহাসৰ সু-স্পষ্ট ধাৰণা প্ৰদান কৰিব। জাতীয় জীৱনৰ বস্তুনিষ্ঠ বিশ্লেষণৰ আধাৰত ৰচিত এই গ্ৰন্থখনৰ বাবে মুখ্যমন্ত্ৰীয়ে ড° ননী গোপাল মহন্তৰ শলাগ লয়।

মুখ্যমন্ত্ৰীয়ে কয় যে অৱধাৰিতভাৱে বুৰঞ্জীবিদৰ ক্ষেত্ৰত পালনীয় এক নীতি হৈছে যে ইতিহাসৰ অধ্যয়ন আৰু প্ৰণয়নৰ ক্ষেত্ৰত যাতে কোনো কাৰণতে তথ্য বিকৃত হ'বলৈ দিয়া নহয়। সমগ্ৰ দেশকে ধৰি অসমৰ ক্ষেত্ৰটো ইতিহাসৰ ঘটনা তথা চৰিত্ৰসমূহৰ বিশ্লেষণৰ ক্ষেত্ৰত এনে এক ধাৰা দেখিবলৈ পোৱাৰ কথা তেওঁ ভাষণত উল্লেখ কৰে। তেওঁ কয় যে অতীতৰ ঘটনাৱলী বিশ্লেষণত বৰ্তমানৰ বিচাৰ ধাৰাৰ প্ৰভাৱ থকা উচিত নহয়। বিশিষ্ট ইতিহাসবিদ হেৰম্বকান্ত বৰপূজাৰীৰ উদ্ধৃতি দাঙি ধৰি তেওঁ কয় যে ইতিহাস বিশ্লেষণত ইতিহাসবিদগৰাকী এজন উকীলৰ ভূমিকাত অৱতীৰ্ণ হোৱাটো গঢ়িত কাম। তেওঁ কয় যে সত্যৰ অন্বেষণেই হৈছে ইতিহাস গৱেষণাৰ লক্ষ্য। ঘটনাৰ প্ৰকৃত তথ্য আহৰণ কৰা আৰু ভৌগোলিক, জীৱনীমূলক, আধ্যাত্মিক তথা ভৌতিক প্ৰেক্ষাপটত সেই ঘটনা প্ৰৱাহৰ বিশ্লেষণৰ প্ৰয়াস কৰা প্ৰয়োজন। মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতবৰ্ষৰ ইতিহাস ৰচনা কৰা কাৰ্যত ভাৰতীয়সকলৰ প্ৰত্যাহ্বান, পৰাক্ৰম, সাহস, ত্যাগ আৰু বীৰত্বৰ ইতিহাস লিপিবদ্ধ কৰা নাই। তেওঁ লগতে কয় যে ৰাজনৈতিক পৰিস্থিতিৰ শুদ্ধ বিশ্লেষণৰ বাবে ইতিহাসৰ জ্ঞান আৰু ঐতিহাসিক তথ্যৰ প্ৰকৃত বিশ্লেষণৰ প্ৰয়োজন।

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কয় যে আজি ভাৰতৰ ইতিহাস নতুনকৈ লিখাৰ সময় হৈছে। অসমৰ ইতিহাসৰ গুৰুত্বপূৰ্ণ অংশৰো পুনৰীক্ষণৰ আজি প্ৰয়োজন হৈছে। তেওঁ লগতে কয় যে গোপীনাথ বৰদলৈ নেতৃত্বাধীন চৰকাৰৰ ৰাজনৈতিক আৰু সামাজিক দৰ্শনসমূহৰ বিষয়ে অধিক অধ্যয়ন আৰু

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

গৱেষণাৰ প্ৰয়োজনীয়তা আহি পৰিছে। অসমৰ জনসাধাৰণে কেবিনেট প্ৰস্তাৱৰ বিৰুদ্ধে সংঘবদ্ধভাৱে আন্দোলন গঢ়ি তুলিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গ্ৰুপিঙৰ জৰিয়তে অসমৰ অস্তিত্ব সম্পূৰ্ণ ৰূপে বিপন্ন হ'লহেঁতেন। গোপীনাথ বৰদলৈৰ নেতৃত্বত অসমৰ ৰাইজে সংঘবদ্ধ প্ৰয়াসেৰে এই কুটিল ষড়যন্ত্ৰ ব্যৰ্থ কৰিছিল। অসমীয়াৰ আত্ম পৰিচয়ৰ ক্ষেত্ৰত অনুপ্ৰৱেশ, ভূমি সমস্যা আৰু নাগৰিকত্ব পূৰ্বৰ দৰে এক বৃহৎ প্ৰত্যাহ্বান হৈ থাকিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এনে প্ৰেক্ষাপটত অনুপ্ৰৱেশ আৰু শৰণাৰ্থীৰ সমস্যাটোৰ এক গ্ৰহণযোগ্য সমাধান সূত্ৰ উলিয়াবৰ বাবে চৰকাৰে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী প্ৰণয়নৰ দৰে ব্যাপক কুচকাৱাজত নামি পৰিবলগীয়া হয়।

মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা দুটা দশকত অসমৰ ৰাজনৈতিক ইতিহাস আৰু ৰাজনৈতিক বিশ্লেষণ এনেভাৱে আগুৱাই লৈ যোৱা হৈছিল তাৰ বিৰুদ্ধে যোৱা মানুহজন বৌদ্ধিক সমালোচনা আৰু ব্যক্তিগত সমালোচনাৰ পাত্ৰ হৈ পৰিছিল। ক'ব গ'লে এক প্ৰকাৰ বৌদ্ধিক সন্ত্ৰাসবাদৰ প্ৰভাৱ দেখা পোৱা গৈছিল। কিন্তু বিচৰা বস্তুক গণতান্ত্ৰিকভাৱে উপস্থাপন কৰিবলৈ সকলোৰে গণতান্ত্ৰিক আৰু বৌদ্ধিক অধিকাৰ থাকিব লাগে। তেওঁ কয় যে যোৱা কেইটামান বছৰত অসমৰ ৰাইজে এই অধিকাৰ ওভতাই পাইছে। বিভিন্ন ধৰণে মানুহে মন-মগজুত থকা বিভিন্ন ধৰণৰ চিন্তাধাৰাক তথ্যৰে সৈতে প্ৰত্যাহ্বান জনাবলৈ সাহস কৰিছে। তেওঁ কয় যে সম-সাময়িক চিন্তাধাৰাৰ বিপৰীতে গৈ ড° ননীগোপাল মহন্তই এই গ্ৰন্থখন লিখি উলিয়াইছে। সেই সময়ত এই গ্ৰন্থখন লিখাৰ বাবে অজস্ৰ সাহসৰ প্ৰয়োজন আছিল আৰু সেই সাহসৰ বাবে ভাষণত মুখ্যমন্ত্ৰীয়ে তেওঁক ধন্যবাদ জ্ঞাপন কৰে।

আজিৰ এই অনুষ্ঠানত শিক্ষা আদি বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, পৰ্যটন আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহা, অসম প্ৰকাশন পৰিষদৰ সচিব প্ৰমোদ কলিতা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° সত্যকাম বৰঠাকুৰ প্ৰমুখ্যে বহু গণ্য-মান্য লোক উপস্থিত থাকে।

**হেঃশঃ**
**২/১/২০২৩**